**এছচিঅ' বিষয়ত ভাৰত আৰু চীনৰ মাজৰ প্ৰথম দ্বিপাক্ষিক আলোচনা**

এপ্ৰিল 17, 2026

2026 চনৰ 16-17 এপ্ৰিলত নতুন দিল্লীত ভাৰত গণৰাজ্য আৰু চীন জনপ্ৰজাতন্ত্ৰৰ মাজত ছাংগাই সহযোগিতা সংস্থা (এছচিঅ') সম্পৰ্কীয় দ্বিপাক্ষিক আলোচনা অনুষ্ঠিত হয়। ভাৰতৰ এছছিঅ' ৰাষ্ট্ৰীয় সমন্বয়ক শ্ৰী আলোক এ. দিমৰী আৰু চীনৰ ৰাষ্ট্ৰীয় সমন্বয়ক ৰাষ্ট্ৰদূত য়ান ৰেনবিনে নিজ নিজ প্ৰতিনিধি দলৰ নেতৃত্ব দিয়ে।

2. উভয় পক্ষই এছচিঅ'ৰ নেতৃবৰ্গৰ সিদ্ধান্তসমূহৰ ৰূপায়ণ আৰু সংগঠনটোৰ ভৱিষ্যতৰ কাৰ্যপন্থাৰ সন্দৰ্ভত মত বিনিময় কৰে। উভয় পক্ষই এছচিঅ' সম্পৰ্কীয় বিষয়সমূহত পাৰস্পৰিক সহযোগিতা আৰু আলোচনা অব্যাহত ৰখাৰ লগতে ইয়াক অধিক সুদৃঢ় কৰিবলৈ সন্মত হয়।

3. উভয় পক্ষৰ প্ৰতিনিধি দলে যুটীয়াভাৱে সচিব (পশ্চিম) শ্ৰী চিবি জৰ্জক সাক্ষাৎ কৰে আৰু নিৰাপত্তা, বাণিজ্য, সংযোগ তথা জনসাধাৰণৰ মাজত পাৰস্পৰিক সম্পৰ্ককে ধৰি এছচিঅ'ৰ পৰিকাঠামোৰ অধীনত চলি থকা সহযোগিতাৰ পৰ্যালোচনা কৰে।

4. দুয়োপক্ষই ভৱিষ্যতে পাৰস্পৰিক পৰামৰ্শ অব্যাহত ৰাখিবলৈ সন্মত হৈছে।

নতুন দিল্লী

এপ্ৰিল 17, 2026